জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৩১/২০২২**

<u>কমনৱেলথ গেমছত স্বৰ্ণ পদক বিজয়ী নয়নমণি শইকীয়াক সম্বৰ্দ্ধনা জনালে মুখ্যমন্ত্ৰীয়ে</u>

# ক্ৰীড়াৰ ক্ষেত্ৰত আগুৱাই যোৱাৰ বাবে খেলুৱৈগৰাকীক সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১১ আগষ্ট ঃ** মহিলাৰ ল'ন বলৰ দলীয় শাখাত কমনৱেলথ গেমছত স্বৰ্ণপদক বিজয়ী নয়নমণি শইকীয়াই আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেওঁৰ জনতা ভৱনস্থিত কাৰ্যালয় কক্ষত সাক্ষাৎ কৰে।

মুখ্যমন্ত্ৰীয়ে নয়নমণি শইকীয়াক জাপি, শৰাই আৰু ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনাই তেওঁৰ অদম্য মনোভাৱক প্ৰশংসা কৰি কয় যে এই সফলতাই দেশ তথা ৰাজ্যবাসীক গৌৰৱান্বিত কৰি তুলিছে। ক্ৰীড়াক্ষেত্ৰত অধিক দক্ষতাৰে আগুৱাই যোৱাৰ বাবে ৰাজ্য চৰকাৰে তেওঁক সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

স্বামী ভাস্কৰ জ্যোতি গোঁহাই আৰু কন্যা তনয়াৰ সৈতে অহা নয়ণমণি শইকীয়াই মুখ্যমন্ত্ৰীৰ সৈতে ল'ন বলৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা বাৰ্মিংহামৰ অভিজ্ঞতা সম্পৰ্কত মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাৰ সময়ত ভাৰতীয় ল'ন বল (পুৰুষ) দলৰ সদস্য মৃদুল বৰগোঁহাই উপস্থিত থাকে।

আজিৰ এই সাক্ষাতৰ সময়ত অসম ল'ন বল এছোচিয়েছনৰ সভাপতি দুৰ্গা দাস বড়ো, জ্যেষ্ঠ সাংবাদিক তথা অসম অলিম্পিক সন্থাৰ উপ-সভাপতি প্ৰণয় বৰদলৈ, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ আৰু অন্যান্যসকল উপস্থিত থাকে।

অঃহাঃ / পুঃডেঃ
**১১/০৮/২০২২**